আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত নিশা ৯ বাজি ১৫ মিনিটত শ্ৰীভূমি জিলা কৃষক পঞ্জীয়ন সন্দৰ্ভত জিলাখনৰ জিলা কৃষি বিষয়া ছফিকুল ইছলামৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ শ্ৰীভূমি জিলাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাতত কাইলৈ নিশা ৮ বাজি ২ মিনিটত 'মহিলা সৱলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ আঁচনিসমূহত আলোকপাত' শীৰ্ষক এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী পাৰবিন হুছেইন।

০০০০০

আই আই টি গুৱাহাটীত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে **প্যান আই আই টি সন্মিলন** আৰম্ভ হৈছে। দেশৰ ২৩খন আই আই টিৰ ছাত্ৰ-ছাত্ৰীসকলৰ মঞ্চ হিচাপে খ্যাত এই সন্মিলনত দেশৰ ২৩খন আই আই টিৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা সম্পৰ্কীয় সকলো সমস্যা আৰু ইয়াৰ সমাধান সন্দৰ্ভত আলোচনা কৰা হ'ব। এই সন্মিলনৰ জৰিয়তে দেশৰ আই আই টিসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰো শিক্ষা ব্যৱস্থা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। এই উপলক্ষে আই আই টি সভাগৃহত অনুষ্ঠিত সংবাদ মেলত আই আই টিৰ শিক্ষাৰ্থী কল্যাণ পৰিষদৰ সভাপতি কৃষ্ণা ভাম্‌চি, আই আই টি গুৱাহাটী শিক্ষাৰ্থী কল্যাণ পৰিষদৰ অধ্যক্ষ বিদিশা সোম আৰু সাধাৰণ সম্পাদক হেমন্ত কুমাৰ উপস্থিত থাকে।

০০০০০

মৰিগাওঁ জিলা প্ৰশাসনৰ সহযোগত আৰু জিলা কৃষি বিভাগৰ উদ্যোগত আজি **ডিজিটেল শস্য সমীক্ষা, ৰবি ২০২৫-২৬** সন্দৰ্ভত জিলা পৰ্যায়ৰ বিশেষ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। জিলা কৃষি বিষয়া তপন কুমাৰ ব্ৰহ্মাই জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। নডেল বিষয়া কিশোৰ কলিতাৰ সঞ্চালনাত আয়োজিত প্ৰশিক্ষণ অনুষ্ঠানৰ শুভাৰম্ভণি কৰি জিলা কৃষি বিষয়াগৰাকীয়ে শস্য সমীক্ষাত নিয়োজিত লোকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে ডিজিটেল শস্য সমীক্ষাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ জৰিয়তে কৃষক ৰাইজ কেনেধৰণে উপকৃত হব সেই বিষয়ে আলোচনা কৰে। অনুষ্ঠানত ডিজিটেল শস্য জৰীপ-খাৰিফ ২০২৫ বৰ্ষত আগবঢ়োৱা বিশিষ্ট অৰিহণাৰ বাবে গৌতম পাটৰক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়াৰ লগতে অন্যান্য বিভাগীয় বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

০০০০০

মঙলদৈৰ ডাকচকী দুই নম্বৰ মাজগাওঁ নিবাসী ওদালগুৰি জিলাৰ পৰিসংখ্যা বিভাগৰ উপ সঞ্চালক গিৰীন্দ্ৰ চহৰীয়াৰ যোৱা নিশা হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ আকস্মিকভাৱে দেহাৱসান ঘটে। হঠাৎ গুৰুতৰভাবে অসুস্থ হৈ পৰা চহৰীয়াক ততাতৈয়াকৈ মঙলদৈ অসামৰিক চিকিৎসালয়লৈ অনা হয় যদিও কিছু সময়ৰ পিছতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪৯ বছৰ। সৰবৰহী জনপ্ৰিয় ব্যক্তি জনৰ অকাল বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পিতৃ, পত্নী আৰু দুটি কণ কণ শিশুক ইহ সংসাৰত এৰি থৈ যায়।

০০০০০

